ISSN 2319-7366

# সংহতি

# SANGHATI

7th Year, Vol. - I, March 2019

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক তিনিমহীয়া গৱেষণা পত্ৰিকা

A Quarterly Research Journal on Literature, Culture and Social Science

সম্পাদক

ড° হৰ কুমাৰ নাথ

Principal
Mayang Anchalik College
Date....................

ISSN No. 2319-7366

# সংহতি

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক
তিনিমহীয়া গৱেষণা পত্রিকা

ষষ্ঠ বছৰ ঃ প্ৰথম সংখ্যা
মাৰ্চ, ২০১৯

# SANGHATI

7th Year, Vol. - I, March 2019

A Quarterly Research Journal on
Literature, Culture and Social Science

Published by Nath Sahitya Parishad, Assam with the financial support of Trustees of M/s Jugal Kishore Choudhury Charitable & Educational trust, Guwahati and Printed at Kaziranga Printing House, Chandmari, Guwahati-21. Address for communication Dr. Har Kumar Nath, Room No.-105 C, 5th Floor, Milestone Housing Complex, Boripara, Maligaon, Guwahati-12
E-mail : drharkumar7@gmail.com / dr.prafullanath@yahoo.in / minaram_nath@yahoo.co.in

Principal
Mayang Anchalik College
Date....................

# সূচীপত্ৰ


- ❖ সম্পাদকীয়
- ❖ চৰ্যাগীত ঃ এটি ভাষাতাত্ত্বিক বিশ্লেষণ
  *ড° প্ৰফুল্ল কুমাৰ নাথ* ১
- ❖ বসন্ত উৎসৱ বিহু আৰু হাজংসকলৰ লেৰা টনা বিহু ঃ এটি সম্যক আলোচনা
  *ড° হৰ কুমাৰ নাথ* ১৮
- ❖ ৰামধেনুত প্ৰকাশিত নিৰুপমা বৰগোহাঞিৰ চুটিগল্প
  *ড° প্ৰাপ্তি ঠাকুৰ* ২২
- ❖ টাংচা-সংস্কৃতি - এটি চমু অৱলোকন
  *ড° ৰুণজুন শইকীয়া* ৩২
- ❖ নাৰেঙ্গী অঞ্চলৰ কাৰ্বিসকলৰ 'জহং' আৰু 'দেহাল' পূজা
  *ড° নীৰা দাস* ৩৫
- ❖ অসমীয়া সমাজ আৰু সাহিত্যত নাৰীৰ স্থান ঃ এটি চমু অৱলোকন
  *ড° মীনাক্ষী তামুলী* ৪০
- ❖ মহিলা সৱলীকৰণ এক প্ৰত্যাহ্বান
  *কবিতা মেধি* ৪৪
- ❖ লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গৰীতিৰ প্ৰসংগ
  *অৰ্চনা হাজৰিকা* ৪৭
- ❖ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত প্ৰতিফলিত নিম্নবৰ্গীয় সমাজ
  *শিখা শৰ্মা* ৫১
- ❖ ৰাজমোহন নাথৰ শংকৰদেৱ চৰ্চা
  *নাৰায়ণ সূত্ৰধৰ* ৫৬
- ❖ অসমীয়া লোকসাহিত্যত সাধুকথা ঃ এটি অধ্যয়ন
  *কোকিল ডেকা* ৬২


Principal
Mayang Anchalik College
Date..................

# মহিলা সৱলীকৰণ এক প্ৰত্যাহ্বান

কবিতা মেধি
*মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ*
*মায়ং আঞ্চলিক কলেজ*

*সাৰাংশ ঃ বৰ্তমান ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাসমূহত নাৰীৰ সৱলীকৰণ এটা প্ৰধান উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হৈছে। কিন্তু যিমান আইন প্ৰণয়ন নকৰক কিয় নাৰীসকল যদি নিজে সজাগ নহয় তেতিয়া নাৰীৰ প্ৰগতি কেতিয়াও নহয়। মহিলা সৱলীকৰণৰ ওপৰত এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা হ'ল।*

নাৰী হৈছে সৃষ্টিকৰ্তাৰ এক অপূৰ্ব সৃষ্টি। নাৰীক অৰ্ধাকাশ বুলি কোৱা হয়। কিন্তু আমি ভাবো নাৰী পূৰ্ণাকাশ আৰু পুৰুষ সেই আকাশৰ অৰ্ধভাগ। নাৰী বুলিলে সাধাৰণতে মানৱ হৃদয়ত প্ৰতিবিম্বিত হয় স্নেহশীল দৰদী হৃদয়ৰ এগৰাকী মাতৃৰ ছবি। কাৰণ নাৰীৰ ক্ষেত্ৰত এই মাতৃত্বও হৈছে প্ৰকৃতিৰ সৰ্বশ্ৰেষ্ঠ দান। নাৰী অবিহনে এই বিনন্দীয়া প্ৰকৃতি অৰ্থহীন। গতিকে সৰুৰে পৰা কন্যা সন্তান এটিক সুস্থ সবল ৰূপত গঢ় দি উপযুক্ত কৰাৰ দায়িত্ব সকলো অভিভাৱকৰ। এগৰাকী নাৰী একাদিক্ৰমে মাতৃ, ধাতৃ, গৃহকৰ্মী, কামিনী, বিপদৰ সচিব আৰু শিল্পকলাৰ সুযোগ্য শিষ্যও হ'ব পাৰে। মানৱ সভ্যতাৰ আদিম স্তৰৰ পৰা নাৰীয়ে সমাজ আৰু সংস্কৃতি ৰক্ষাত মুখ্য ভূমিকা পালন কৰি আহিছে।

সাম্প্ৰতিক সময়ত মানৱ সভ্যতা সংস্কৃতিৰ অভূতপূৰ্ব সাফল্যৰ পাছতো, ভাৰতীয় সংবিধানে নাৰী জাতিক সমাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শিক্ষা-দীক্ষা, সংস্কৃতি আদি সকলো দিশতে পুৰুষৰ সমানে অধিকাৰ প্ৰদান কৰিলেও আজিৰ নাৰী কিন্তু এই অধিকাৰ ভোগৰ পৰা কিছু হলেও বঞ্চিত হৈ আছে। যিখন দেশত নাৰীক দেৱীৰূপে, মাতৃৰূপে বন্দনা কৰা হয় সেইখন দেশতে নাৰীক শাৰীৰিক, মানসিকভাৱে নিৰ্যাতন কৰা হয়। ঘৰে-বাহিৰে, বাটে-ঘাটে আনকি কৰ্মস্থলীতো এচাম নাৰী প্ৰতাৰিত হৈছে লাঞ্চিত হৈছে। শিক্ষিত মহিলাও নিৰ্যাতনৰ হাত সাৰিব পৰা নাই। গতিকে বৰ্তমান সময়ত নাৰী সৱলীকৰণ অবিহনে এখন দেশ, এখন সমাজ উন্নয়নৰ দিশত আগবাঢ়ি যাব নোৱাৰে।

বৰ্তমান ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাসমূহত নাৰীৰ সৱলীকৰণ এটা প্ৰধান উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হৈছে। কিন্তু যিমান আইন প্ৰণয়ন নকৰক কিয় নাৰীসকল যদি নিজে সজাগ নহয় তেতিয়া নাৰীৰ প্ৰগতি কেতিয়াও নহয়। সামগ্ৰিকভাৱে আমাৰ দেশৰ গ্ৰাম্যাঞ্চলৰ নাৰীসকল শিক্ষা-দীক্ষাত পিছপৰা আৰু



Principal
Mayang Anchalik College
Date.............

অৰ্থনৈতিকভাৱে স্বাৱলম্বীও নহয়। গতিকে নাৰী সমাজক স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ সমাজৰ সকললোৱে সহযোগিতা আগবঢ়াব লাগে। কামৰ সৰু-বৰ নাই, সেয়ে মহিলাসকল আগবাঢ়ি আহিব লাগে, চৰকাৰে আগবঢ়োৱা আঁচনিসমূহৰ ৰূপায়নেৰে নিজৰ লগতে পৰিয়ালৰ, সমাজৰ আৰু দেশৰ প্ৰগতিত অৰিহণা যোগাব লাগে।

নিজ প্ৰচেষ্টাৰে কেনেকৈ এগৰাকী মহিলা অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰে, নিজৰ আৰ্জিত দক্ষতাক কামত লগাব পাৰে, সঞ্চয় অভ্যাস গঢ়িব পাৰে, নিজৰ হাততে থকা সম্পদৰাজি মূল্যায়ন আৰু সদ্ব্যৱহাৰ কৰিব পাৰে তাৰে দুটামান উদাহৰণ দাঙি ধৰা হ'ল।

কামৰূপ (গ্ৰাম্য) জিলাৰ বকো অঞ্চলৰ পুখুৰীপাৰা গাঁৱৰ তনুদাস ৰাতিপুৱা পাঁচ বজাতেই ঘৰৰ পৰা ওলাই আহে। উদ্দেশ্য ৭০ কিঃমিঃ অতিক্ৰম কৰি গুৱাহাটীৰ বামুণীমৈদানত পাচলি বিক্ৰী। তাই ওচৰৰ গাঁৱৰ মানুহৰ পৰা পাচলি সংগ্ৰহ কৰি গুৱাহাটীত বিক্ৰী কৰি সেই ধনেৰে নিজৰ লগতে পৰিয়ালটোক পোহপাল দিছে। তনুদাসৰ উপৰিও ভালুখতো গাঁৱৰ পৰাও বহুকেইগৰাকী বড়ো মহিলা আহে। তেওঁলোকে বকো, ৰংজুলি অঞ্চলৰ পৰা সামগ্ৰী সংগ্ৰহ কৰি বিক্ৰী কৰিবলৈ আহে।

সত্ৰনগৰী মাজুলীৰ মৃৎশিল্পত মহিলাসকলৰ ভূমিকা অনবদ্য। আধুনিক সা-সৰঞ্জাম নোলোৱাকৈ প্ৰকৃতিৰ পৰা আহৰণ কৰা কমাৰ-মাটিৰ সহায়েৰে ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰাকৈ (টেকেলি, চাকি, ভুৰুকা, ধূপদাণ্ডি, নেগেৰাৰ খোল, কলহ, ধূণামলা, মাটিৰ টাব আদি বিভিন্ন মাটিৰ সামগ্ৰী তৈয়াৰ কৰি অৰ্থনৈতিক দিশত স্বাৱলম্বী হব পাৰিছে।

শিৱসাগৰ জিলাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ ভাতিয়াপাৰা নিবাসী প্ৰিয়ম হাজৰিকাৰ মেটেকা, কলগছ, মৰাপাটৰ আঁহৰ পৰা উৎপাদন কৰা, বেগ, টুপী, দেৰ মেট আদি সামগ্ৰী কেৱল অসমতে নহয় বিদেশতো সমাদৰ পাবলৈ সক্ষম হৈছে। এতিয়ালৈকে তেখেতে ৫০ টাতকৈও অধিক মহিলা গোটক প্ৰশিক্ষণ দি আত্মপ্ৰতিষ্ঠা কৰাইছে। তেনেকৈয়ে গোলাঘাটৰ ৫০ৰ উৰ্দ্ধৰ শ্ৰীস্বৰ্ণলতা দত্তইয়ো নিজৰ বয়সকো তেখেতে নিজৰ উপাৰ্জন লগতে যুৱক-যুৱতী সকলকো প্ৰশিক্ষণ দিয়ে।

ঠিক্ এনেদৰে বৰপেটা, কোকোৰাঝাৰ আৰু মেঘালয়ৰ সীমানুৱৰ্তী অঞ্চলৰ মহিলাসকলে কুছি ফুল বিক্ৰী কৰি স্বাবলম্বী হ'ব পাৰিছে।

বৰ্তমান সময়ত দুৰ্বল শ্ৰেণীৰ লোকসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ চিন্তাভাৱনাৰে আত্মসহায়ক গোটসমূহ গঢ় লৈ উঠিছে। অসমৰ প্ৰতিখন জিলাতে অসংখ্য আত্মসহায়ক গোট আছে যাৰ সহায়ত মহিলাসকলৰ মনত স্বাৱলম্বী হোৱাৰ এটা দৃঢ় প্ৰত্যয় জন্মিছে। কৃষি বিজ্ঞান কেন্দ্ৰ কামৰূপৰ তত্বাৱধানত মেটেকাৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ প্ৰশিক্ষণ লৈ কেইবাটাও আত্মসহায়ক গোটে গাইগুটীয়াকৈ বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি এখন বজাৰ লবলৈ সক্ষম হৈছে। তেওঁলোকে নিজেই মেটেকা সংগ্ৰহ কৰি, শুকুৱাই বিভিন্ন ধৰণৰ বেগ, টুপি, ফুলদানি, সজোৱা ফুল, কাণফুলি ইত্যাদি প্ৰস্তুত আৰু বিক্ৰী কৰি কিছু আয় কৰিব পাৰিহে।

মৰিগাঁও জিলাত ভুমুকি মাৰিলে দেখা যায় বহুকেইটা আত্মসহায়ক গোটে চাৰা চাম্বেলী হাঁহ-পালন কৰি — অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ উপৰিও থলুৱা পিঠা-পনা, আচাৰ আদি প্ৰস্তুত কৰি বিভিন্ন মেলাত যোগদান কৰি আৰ্থিকভাৱে স্বাৱলম্বী হব পাৰিছে।

নলবাৰী জিলাৰ ঘগ্ৰাপাৰা ৰেল ষ্টেচনৰ নিকটৱৰ্তী সৰু, অনগ্ৰসৰ, অখ্যাত এখন বড়ো গাঁও ছত্ৰা। জীৱিকাৰ তাড়নাত লাওপানী প্ৰস্তুত কৰি বেহা চলোৱা মহিলা সকলৰ নাম শুনিলেই নাক কোচাই। মহিলাসকলে নিজৰ গাঁওখনৰ কুখ্যাতি আঁতৰাবলৈ অন্য উপায় বিচাৰিছিল। (জি. ভি. এন) গ্ৰাম্য বিকাশ



Principal
Mayang Anchalik College
Date..................

মঞ্চ নামৰ অনুস্থান এটাই গাঁওখনৰ ৩০ গৰাকী মহিলাক জাকাৰ্ট মেচিন ব্যৱহাৰৰ এমহীয়া প্ৰশিক্ষণ দিয়াৰ পাছত মহিলাসকলে গাইপতি ৩০ টকাকৈ তুলি ৪ খন শালত কাপোৰ ববলৈ শিকিলে। কোনোজনীয়ে ৰাঁচ গোটালে, কোনোজনীয়ে আনিলে শাল। এই ৩০ গৰাকী উদ্যমী মহিলাৰ আশাসুধীয়া প্ৰচেষ্টাত ছত্ৰা গাঁৱত স্থাপন হ'ল বাগৰুম্বা উইভাৰ ডেভেলপমেণ্ট ট্ৰাষ্ট। উদ্যমী মহিলাসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিল নেডফিও। নেড্‌ফিয়ে মহিলাসকলক ৩ মাহ কাপোৰ ববলৈ সূতা যোগান ধৰাৰ উপৰিও বৈ উলিওৱা কাপোৰ বিক্ৰী কৰিবলৈ বজাৰৰো ব্যৱস্থা কৰি দিলে। এসময়ত মদ বিক্ৰী কৰি কাষৰীয়া গাঁৱৰ ৰোষৰ বলি হোৱা ছত্ৰা গাঁৱৰ মহিলাসকলে এতিয়া কাপোৰ বৈ ঘৰ চলাইছে আৰু ল'ৰা-ছোৱালীও পঢ়ুৱাইছে। কাজিয়া পেচাল, হৈ-হাল্লা আছিল সেই গাঁৱৰ নৈমিত্তিক ঘটনা। আনকি মহিলাৰ ওপৰত শাৰীৰিক নিৰ্য্যাতনৰ ঘটনাও ঘটিছিল। কিন্তু এতিয়া তাৰ পৰিৱেশ সলনি হ'ল। এতিয়া মহিলাৰ ওপৰত ভৰসা কৰিবলৈ শিকিছে, সন্মান কৰিবলৈ শিকিছে পুৰুষসকলে। আনকি মহিলাসকলৰ কাম কাজতো সহায় কৰিবলৈ লৈছে।

এয়া মহিলা সবলীকৰণৰ মাত্ৰ কেইটামান উদাহৰণহে। গতিকে আত্মসহায়ক গোট আৰু সমভাবাপন্ন লোকসকল একগোট হৈ মহিলাৰ সবলীকৰণ বাস্তৱিকতে সম্ভৱ কৰি তুলিব পাৰি। মহিলাৰ শিক্ষা আৰু সবলীকৰণ অবিহনে এখন সুস্থ সমাজ গঢ়ি উঠিব নোৱাৰে। বৰ্তমান সময়ত নাৰীসকল তেওঁলোকৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সচেতন। নাৰী জাতিক পণ্য সামগ্ৰীৰ পৰা মানুহৰ পৰ্য্যায়লৈ উন্নীত কৰাৰ মানসিকতা যেতিয়াই প্ৰত্যেকৰে মন জাগ্ৰত হ'ব তেতিয়াই নাৰীৰ সবলীকৰণ বিষয়টো সফল হব। নাৰী আছে তাৰেই পৃথিৱীখন সুন্দৰ আৰু সজীৱ হৈ আছে। গতিকে এই সৌন্দৰ্য্য অটুত ৰাখিবলৈ প্ৰতিজন ব্যক্তিয়েই মনোযোগ দিব লাগিব।

**সহায়ক পুথি ঃ**


১। কলিতা, শ্ৰীউৎপল আৰু অন্যান্যসকল ঃ স্নাতক মহলাৰ উন্মেষিত বিচাৰ্য বিষয় আৰু শিক্ষা, অসম বুক ডিপো, পাণবজাৰ, গুৱাহাটী - ০১

২। ডেকা, শৰ্মা আৰু মিশ্ৰ ঃ আধুনিক 'শিক্ষাতত্ব আৰু নীতি, অসম বুক ডিপো, পাণবজাৰ, গুৱাহাটী।

৩। বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা সমস্যাত দৃষ্টিপাত, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী - ০১

৪। প্ৰিয় সখী - ২০১৬ ফেব্ৰুৱাৰী সংখ্যা

৫। নন্দিনী - ২০১৬ মাৰ্চৰ সংখ্যা ◆



Principal
Mayang Anchalik College
Date.................